**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-05-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। কেন্দ্ৰীয় গৃহ সচিব গোবিন্দ মোহনে কাইলৈ হ'বলগীয়া অসামৰিক প্ৰতিৰক্ষা মকড্ৰিল সন্দৰ্ভত আজি ৰাজ্যসমূহৰ মুখ্য সচিবসকলৰ সৈতে এখন বৈঠকত মিলিত হয়।

২। ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত ডোভালে আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক নতুন দিল্লীৰ তেওঁৰ বাসগৃহত সাক্ষাৎ কৰি এখন উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হয়।

৩। আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিভাৰ যথেষ্ট সমাদৰ আছে আৰু ভাৰত এনে প্ৰতিভাৰ প্ৰয়োজনীয়তা পূৰ কৰিবলৈ সমৰ্থ বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ এছ জয়শংকৰে প্ৰকাশ কৰিছে।

৪। খেল' ইণ্ডিয়া যুৱ ক্ৰীড়া সমাৰোহৰ আজি তৃতীয় দিনা ফুটবল প্ৰতিযোগিতাৰ ল'ৰাৰ শাখাত মেঘালয়ে চণ্ডীগড়ক ১০-১, গ'লৰ ব্যৱধানত পৰাস্ত কৰে।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাই ইণ্ডিয়ানছ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

কেন্দ্ৰীয় গৃহ সচিব গোবিন্দ মোহনে কাইলৈ হ'বলগীয়া অসামৰিক প্ৰতিৰক্ষা মকড্ৰিল সন্দৰ্ভত আজি ৰাজ্যসমূহৰ মুখ্য সচিবসকলৰ সৈতে এখন বৈঠকত মিলিত হৈছে। নতুন দিল্লীৰ গৃহ মন্ত্ৰালয়ৰ কাৰ্যালয়ত অনুষ্ঠিত এই বৈঠকত অসামৰিক প্ৰতিৰক্ষা বিভাগৰ সঞ্চালক প্ৰধান ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীৰ সঞ্চালকপ্ৰধান আৰু অন্যান্য শীৰ্ষ বিষয়াসকলে অংশগ্ৰহণ কৰিছে।

কেন্দ্ৰীয় চৰকাৰে কালি অসামৰিক প্ৰতিৰক্ষা প্ৰস্তুতিৰ মূল্যায়নৰ বাবে মকড্ৰিল অথবা বিশেষ অনুশীলন কৰাবলৈ ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহক নিৰ্দেশ দিছিল। সেই অনুসৰি গৃহ মন্ত্ৰালয়ে দেশৰ ২৪৪ খন অসামৰিক প্ৰতিৰক্ষা জিলাত বিশেষ মকড্ৰিল অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লয়। গাঁও পৰ্যায়লৈকে এই অনুশীলন কৰাৰ বাবে পৰিকল্পনা কৰা হৈছে। বিমানৰ সতৰ্কতা ব্যৱস্থাৰ লগতে ভাৰতীয় বায়ুসেনা বাহিনীৰ সৈতে হটলাইন অথবা ৰেডিঅ' সংযোগ ব্যৱস্থাৰ কাৰ্যকৰীকৰণৰ মূল্যায়ন কৰা আৰু নিয়ন্ত্ৰণ কক্ষৰ কাৰ্যক্ষমতা পৰীক্ষণ কৰাটোৱেই হৈছে এই মকড্ৰিল অথবা বিশেষ অনুশীলনৰ প্ৰাথমিক উদ্দেশ্য। এই অনুশীলনৰ সময়ত যিকোনো দুৰ্যোগ অথবা আক্ৰমণৰ পৰা নিজকে সুৰক্ষিত ৰখাৰ ক্ষেত্ৰত অসামৰিক প্ৰতিৰক্ষাৰ বিভিন্ন কৌশল অৱলম্বন সন্দৰ্ভত জনসাধাৰণ তথা ছাত্ৰ-ছাত্ৰীসকলক প্ৰশিক্ষণ প্ৰদানৰো ব্যৱস্থা কৰা হৈছে।

০০০০০০

——পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰতিৰক্ষা মন্ত্ৰালয় আৰু সেনাৰ শীৰ্ষ বিষয়াসকলৰ সৈতে সাম্প্ৰতিক পৰিস্থিতি সন্দৰ্ভত এখনৰ পাছত আনখনকৈ গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হৈছে। ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত ডোভালে আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক নতুন দিল্লীৰ তেওঁৰ বাসগৃহত সাক্ষাৎ কৰি এখন উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হয়। কালি প্ৰতিৰক্ষা সচিব ৰাজেশ কুমাৰ সিং আৰু প্ৰধানমন্ত্ৰীৰ মাজত বৈঠক অনুষ্ঠিত হয়। ইয়াৰ পূৰ্বে বায়ু সেনাৰ মুৰব্বী এয়াৰ চীফ মাৰ্শ্বেল অমৰপ্ৰীত সিং, নৌসেনাৰ মুৰব্বী এডমিৰেল দীনেশ কে ত্ৰিপাঠী আৰু সেনা প্ৰধান জেনেৰেল উপেন্দ্ৰ দ্বিবেদীয়ে প্ৰধানমন্ত্ৰীক সাক্ষাৎ কৰি পৃথকে পৃথকে বৈঠকত মিলিত হয়।

০০০০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিভাৰ যথেষ্ট সমাদৰ আছে আৰু ভাৰত এনে প্ৰতিভাৰ প্ৰয়োজনীয়তা পূৰ কৰিবলৈ সমৰ্থ বুলি প্ৰকাশ কৰিছে। নতুন দিল্লীত অনুষ্ঠিত Global Access to Talent from India - চমুকৈ গতিৰ শুভাৰম্ভ কৰি ড° জয়শংকৰে কয়, যে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বিভিন্ন ধৰণৰ কৰ্মসংস্থান বৃদ্ধিৰ পৰিপ্ৰেক্ষিতত বিদেশত সুযোগ সন্ধান কৰাৰ ক্ষেত্ৰত অধিক গুৰুত্ব আৰোপ কৰা উচিত। তেওঁ কয়, যে সমসাময়িক খণ্ডত ভাৰতীয় লোকসকলক অধিক কাৰ্যক্ষম কৰি তোলাৰ উদ্দেশ্যে চৰকাৰে দক্ষতা, প্ৰশিক্ষণ, বৃত্তিগত শিক্ষা আদিকে ধৰি বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। সুযোগৰ এই বিশাল ক্ষেত্ৰৰ প্ৰতি লক্ষ্য ৰাখি এনে প্ৰচেষ্টাত প্ৰতিগৰাকী অংশীদাৰীৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০০০০০

ইজৰাইলৰ সামৰিক বাহিনীয়ে য়েমেনৰ ৰেড চি প্ৰদেশৰ হুডেইডাত কালি হুটি সংগঠনৰ সদস্যৰ বিৰুদ্ধে চলোৱা বিমান আক্ৰমণত কমেও এজন লোকৰ মৃত্যু হোৱাৰ লগতে প্ৰায় ৩৫ জন লোক আহত হয়। হুটি বিদ্ৰোহীয়ে যোৱা দেওবাৰে ইজৰাইলৰ বেন গুৰিয়ন বিমান বন্দৰৰ সমীপত মিছাইলেৰে আক্ৰমণ চলোৱাৰ পাছতে ইজৰাইলৰ সেনাই প্ৰত্যাক্ৰমণ কৰে। ইজৰাইলী সেনাৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি এই অভিযানত ২০ খনতকৈও অধিক যুদ্ধ বিমানে অংশ লৈছিল। আনহাতে, হুটি বিদ্ৰোহী সংগঠনৰ সংবাদ কাৰ্যালয়ে প্ৰকাশ কৰা তথ্য অনুসৰি ইজৰাইলৰ সেনাই কৌশলগতভাৱে গুৰুত্বপূৰ্ণ হুডেইডা বন্দৰত কমেও ছবাৰ আক্ৰমণ কৰিছিল। তদুপৰি হুডেইডা চহৰৰ উত্তৰ-পূবৰ প্ৰায় ৫৫ কিলোমিটাৰ নিলগত অৱস্থিত বাজিল জিলাৰ এটা চিমেণ্ট ফেক্টৰিতো সোনাই আক্ৰমণ চলাইছিল। এই বিমান আক্ৰমণত ক্ষতিগ্ৰস্ত হোৱাৰ সঠিক তথ্য এতিয়ালৈকে লাভ কৰিব পৰা হোৱা নাই।

০০০০০০০০০

স্মাৰ্ট ফোন সম্প্ৰতি কেৱল যোগাযোগৰ মাধ্যমেই নহয়, বৰং সবলীকৰণৰ এটা মাধ্যম তথা সমগ্ৰ বিশ্বৰ তথ্য লাভৰ আধাৰ হৈ পৰিছে। কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্দিয়াই আজি নতুন দিল্লীত অনুষ্ঠিত ভাৰত টেলিকমৰ দ্বাবিংশ সংস্কৰণৰ উদ্বোধনী অনুষ্ঠানত ভাষণ দি এইদৰে কয়। ভাৰত বৰ্তমান বিশ্বৰ টেলিকম খণ্ডত দ্বিতীয় সৰ্ববৃহৎ দেশ হিচাপে পৰিগণিত হৈছে বুলি উল্লেখ কৰি শ্ৰী সিন্দিয়াই কয়, যে দেশত বৰ্তমান ১২০ কোটি লোকে ম'বাইল ফোন ব্যৱহাৰ কৰে। তেওঁ কয়, যে ব্ৰডবেণ্ড ব্যৱহাৰকাৰীৰ সংখ্যা এটা দশকৰ পূৰ্বে ৬ কোটিলৈ বৃদ্ধি হৈ বৰ্তমান ৯৫ কোটি হৈছেগৈ। একেদৰে ইণ্টাৰনেট ব্যৱহাৰকাৰীৰ সংখ্যাও ২৫ কোটিৰ পৰা ৯৭ কোটি হৈছেগৈ বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০০০০০

বিশ্বৰ বিভিন্ন প্ৰান্তত আজি বিশ্ব হাপানী দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত কৰা হৈছে। হাপানীৰ আন্তঃৰাষ্ট্ৰীয় পদক্ষেপ সংস্থাই প্ৰতিবছৰে মে'ৰ প্ৰথমটো মঙলবাৰে সমগ্ৰ বিশ্বতে এই দিৱস পালন কৰি আহিছে। এই বছৰৰ এই দিৱসৰ বিষয়বস্তু হৈছে - "Make Inhaled Treatments Accessible for ALL". এই দিৱসৰ জৰিয়তে হাপানী ৰোগৰ বিষয়ে জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰাৰ উপৰি দীৰ্ঘদিন ধৰি হৈ থকা শ্বাস প্ৰশ্বাসজনিত সমস্যাৰ সঠিকভাৱে চিকিৎসা কৰাৰ প্ৰয়োজনীয়তা সন্দৰ্ভত অৱগত কৰাৰ চেষ্টা কৰি অহা হৈছে।

০০০০০০০০০

বিহাৰত অনুষ্ঠিত খেল' ইণ্ডিয়া যুৱ ক্ৰীড়া সমাৰোহৰ আজি তৃতীয় দিনা ফুটবল প্ৰতিযোগিতাৰ ল'ৰাৰ শাখাত মেঘালয়ে চণ্ডীগড়ক ১০-১, গ'লৰ ব্যৱধানত পৰাস্ত কৰে। আন এখন খেলত ওড়িশাই

পশ্চিমবংগৰ বিৰুদ্ধে ২-১ৰ ব্যৱধানত জয়লাভ কৰে। আজি চেপাক টাক্ৰ’ প্ৰতিযোগিতাত যোগ্যতা অৰ্জনকাৰী দলসমূহে সোণৰ পদকৰ বাবে অৱতীৰ্ণ হ’ব। সাঁতোৰৰ ৪০০ মিটাৰৰ ফ্ৰি ষ্টাইল শাখাৰ ফাইনেল খেলসমূহ আজি অনুষ্ঠিত হ’ব। ইপিনে, নতুন দিল্লীৰ ডঃ কাৰ্ণি সিং শ্যুটিং ৰেঞ্জত অনুষ্ঠিত শ্যুটিং প্ৰতিযোগিতাত আজি ৫০ মিটাৰ ৰাইফল আৰু ১০ মিটাৰ এয়াৰ পিষ্টল শাখাৰ খেলসমূহ অনুষ্ঠিত হ’ব।

০০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হ’বলগীয়া এখন খেলত মুম্বাই ইণ্ডিয়ানছ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ’ব।

যোৱানিশা দেলহী কেপিটেলছ আৰু ছানৰাইজাৰ্ছ হায়দৰাবাদৰ মাজত হায়দৰাবাদত অনুষ্ঠিত খেলখন বৰষুণৰ বাবে ইনিংছ ব্ৰেকৰ সময়ত পৰিত্যক্ত ঘোষিত হয়। ফলত দুয়োটা দলেই এক পইণ্টকৈ লাভ কৰে যদিও হায়দৰাবাদে প্লে অফ পৰ্যায়ৰ পৰা বিদায় লয়। ইপিনে, দেলহী কেপিটেলছ সম্প্ৰতি পইণ্ট তালিকাৰ পঞ্চম স্থানত আছে।

০০০০০০

সমাপ্ত